# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI

0000000000

**Date :** 03-01-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**:::::::::::::::::::::::::::::::**

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ ১০ কিলোৱাট শক্তি সম্পন্ন নতুন এফ এম ট্ৰান্সমিটাৰটো আনুষ্ঠানিকভাৱে ৰাইজৰ সেৱাত উৎসৰ্গা কৰে। আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰই বি টি আৰৰ জনসাধাৰণৰ দীৰ্ঘ দিনীয়া সপোন পূৰণ কৰিলে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এই কেন্দ্ৰৰ নতুন এফ এম ট্ৰান্সমিটাৰে কোকৰাঝাৰ আৰু ইয়াৰ কাষৰীয়া ধুবুৰী, বঙাইগাঁও আৰু চিৰাং জিলাক সামৰি লব। আজিৰ পৰা এফ এম বেণ্ডৰ ১০২ মেগাহাৰ্টজত আকাশবাণী কোকৰাঝাৰৰ অনুষ্ঠানসমূহ শুনিব পাৰিব। ইয়াৰ উপৰিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত ৩ খনকৈ নতুন ৰেলগাড়ীৰ যাত্ৰা শুভাৰম্ভ কৰে।

ooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি পুৱা গুৱাহাটীৰ খানাপাৰাত  নিৰ্মাণৰত পূৱ ভাৰতৰ সৰ্ববৃহৎ প্ৰেক্ষাগৃহৰ কাম-কাজৰ অগ্ৰগতিৰ  বুজ লয়। জ্যোতি-বিষ্ণু হিচাপে নামকৰণ কৰা এই প্ৰেক্ষাগৃহটোত ৫ হাজাৰ আসনৰ ব্যৱস্থা থাকিব। নিৰ্ধাৰিত সময়ত প্ৰকল্পটোৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰি তুলিবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। আজিৰ পৰিদৰ্শনকালত মুখ্যমন্ত্ৰী শৰ্মাৰ সৈতে কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ লগতে ভালেমান ব্যক্তি উপস্থিত থাকে।

ooooo

অসমত সুস্থ শৈক্ষিক পৰিবেশ স্থাপনৰ উদ্দেশ্যে আটাইকেইখন বিশ্ববিদ্যালয়তেই এখনেই শৈক্ষিক দিনপঞ্জী প্ৰস্তুত কৰাৰ বাবে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ অসম শাখাই প্ৰস্তাৱ দিছে। এই উদ্দেশ্যে আজি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ অসমৰ এটা প্ৰতিনিধি দলে ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যক সাক্ষাৎ কৰে। অসমৰ ৰাজ্যিক বিশ্ববিদ্যালয়সমূহ তথা ইয়াৰ অন্তৰ্ভুক্ত মহাবিদ্যালয়সমূহৰ পৃথক শৈক্ষিক দিনপঞ্জী হোৱাৰ বাবে ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰীসকলে বহু সময়ত ভাৰতৰ আন ৰাজ্য তথা বিদেশৰ বহু বিশ্ববিদ্যালয়ত নামভৰ্তিৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হৈ আহিছে। অসমৰ সকলো মহাবিদ্যালয়, ৰাজ্যিক বিশ্ববিদ্যালয় আদিত এখনেই শৈক্ষিক দিনপঞ্জী প্ৰযোজ্য হ'লে শৈক্ষিক ভ্ৰমণৰ বাবেও সুবিধা হ'ব বুলি সংগঠনটোৰ প্ৰতিনিধিয়ে মত প্ৰকাশ কৰে। তেওঁলোকে অসমৰ ৰাজ্যপালৰ নেতৃত্বত শিক্ষামন্ত্ৰী, শিক্ষা আয়ুক্ত আৰু বিশিষ্ট শিক্ষাবিদসকলৰ লগতে বিশ্ববিদ্যালয়সমূহৰ প্ৰতিনিধিকো অন্তৰ্ভুক্ত কৰি এখন উচ্চ ক্ষমতাসম্পন্ন সমিতি গঠন কৰিবলৈ আহ্বান জনায়।

ooooo

পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি  নকৰিবলৈ দিয়া নিৰ্দেশনাৰ বিৰুদ্ধে ৰাজ্য চৰকাৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে। এই সন্দৰ্ভত চৰকাৰে গোচৰ ৰুজু হোৱা পঞ্চায়ত এলেকাসমূহক বাদ দি বাকী অঞ্চলসমূহত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ অনুমতি দিবলৈ ন্যায়ালয়ত আবেদন জনাইছে। চৰকাৰৰ এই

আবেদনৰ শুনানি লৈ আজি উচ্চ ন্যায়ালয়ে অহা ৬ জানুৱাৰীত গোচৰীয়া পক্ষক উত্তৰ দিবলৈ নিৰ্দেশ দিছে। উল্লেখযোগ্য যে, সমষ্টি পুনৰ নিৰ্ধাৰণত বিভিন্ন আসোঁৱাহৰ অভিযোগ তুলি একাংশ প্ৰাৰ্থী উচ্চ ন্যায়ালয়ত গোচৰ ৰুজু কৰিছিল। এই গোচৰৰ ভিত্তিত উচ্চ ন্যায়ালয়ে পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি নকৰিবলৈ ৰাজ্যিক নিৰ্বাচন আয়োগক নিৰ্দেশ দিছিল।

ooooo

ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, পৰ্যটন আদি বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি বজালী বিধানসভা সমষ্টিৰ বিভিন্ন ৰোগত চিকিৎসাধীন ৰোগীক মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ চেক বিতৰণ কৰে। বজালী জিলাৰ পাঠশালাত আয়োজিত কাৰ্যসূচীত মন্ত্ৰীগৰাকীয়ে সমষঅটিটোৰ ২৫৩ গৰাকী ৰোগীক মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ চেক বিতৰণ কৰে। অনুষ্ঠানত ভাষণ প্ৰসংগত তেওঁ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ সৰ্বাঙ্গীন উন্নয়ন সাধন কৰাৰ বাবে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি মত প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানতে মন্ত্ৰীগৰাকীয়ে অসম দৰ্শন আঁচনিৰ অধীনত ৯ টা অনুষ্ঠানত ৩০ লাখ টকাৰ চেক বিতৰণ কৰে। ইযাৰ উপৰিও কেইবাটাও অনুষ্ঠান-প্ৰতিষ্ঠানক তেওঁ আৰ্থিক সাহায্য প্ৰদান কৰে। অনুষ্ঠানত তেওঁ পাঠশালাত অনুষ্ঠিত হ'বলগীয়া অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম অধিবেশনৰ বাবে মুখ্যমন্ত্ৰীয়ে ৫ কোটি টকা সাহায্য আগবঢ়োৱাৰ কথা অৱগত কৰে। আজিৰ অনুষ্ঠানত অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

মৰিগাওঁ আৰক্ষীয়ে নতুন বছৰৰ প্ৰথম সপ্তাহটোতে জিলাখনৰ  কেইবাটাও স্থানত অভিযান চলাই এঘাৰজন চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰে। মৰিগাঁৱৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসৰ নিৰ্দেশমৰ্মে জিলাখনৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমিৰণৰ বৈশ্যৰ নেতৃত্বত চলোৱা অভিযানত চাইবাৰ অপৰাধী কেইজনক গ্ৰেপ্তাৰ কৰাৰ লগতে বহুসংখ্যক ভুৱা চীম কাৰ্ড, আধাৰকাৰ্ড, পানকাৰ্ড, বেংকৰ এ টি এম কাৰ্ড, পাছবুকসহ বহু নথিপত্ৰ জব্দ কৰে। জিলাখনৰ মইৰাবাৰী, লাহৰিঘাট আৰু মায়ং অঞ্চলত আৰক্ষীয়ে এই অভিযান চলাইছিল। গ্ৰেপ্তাৰ হোৱা অপৰাধী কেইজনে ভুৱা চীম, আধাৰ, পানকাৰ্ড আদি নথিপত্ৰ ব্যৱহাৰ কৰি আদিত্য বিৰলা ফাইনেন্স কোম্পানীৰ পৰা বহিঃৰাজ্যৰ লোকৰ নামত অনলাইযোগে ঋণ লৈ প্ৰায় ২০ কোটি টকা আত্মসাৎ কৰিছিল।  সেইদৰে এক্সিচ বেংকৰ পৰাও একে পদ্ধতিৰে ধন সৰকাইছিল।  বেংক আৰু বিত্তীয় প্ৰতিষ্ঠান কেইটাৰ পৰা পোৱা অভিযোগৰ ভিত্তিত আৰক্ষীয়ে এই অভিযান চলাইছিল।

ooooo

দৰং জিলাৰ পাথৰিঘাট নিবাসী অভিনেতা নৌচাদ আলীৰ আজি দেহাৱসান ঘটে। দৰং জিলাৰ ঐতিহাসিক পথৰুঘাট কৃষক বিদ্ৰোহৰ আধাৰত ৰচিত আৰু গুৱাহাটী দূৰদৰ্শনৰ দ্বাৰা সম্প্ৰচাৰিত পথৰুঘাটে ৰিঙিয়াই  শীৰ্ষক জনপ্ৰিয় ধাৰাবাহিকখনত তেওঁ অভিনয় কৰিছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৫ বছৰ।

ooooo

সমাপ্ত